# ভাৰতৰ ৰাষ্ট্ৰপতিৰ বেলজিয়াম আৰু টুৰ্কী লৈ ৰাজকীয় ভ্ৰমণ (২-৮ অক্তোবৰ)

অক্তোবৰ ০১,২০১৩

ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰী প্ৰনৱ মূখাৰ্জীয়ে বেলজিয়ানৰ ৰজাৰ আমন্ত্ৰন ক্ৰমে অক্তোবৰৰ ২-৫,২০১৩ তাৰিখ লৈ বেলজিয়াম অভিমুখে ৰাজকীয় ভ্ৰমণলৈ যাব । এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ বাবে এইয়া হব প্ৰথম বেলজিয়াম ভ্ৰমণ ।

ৰাষ্ট্ৰপতি গৰাকীয়ে যুটীয়া ভাৱে মহামান্য ৰজা ফিলিপৰ সৈতে "ইউৰোপালিয়া-ভাৰত ২০১৩-১৪"ৰ উদ্বোধন কৰিব ।

বেলজিয়ামৰ ৰাজকীয় ভ্ৰমণৰ অন্তত তেওঁ টুৰ্কীৰ ৰাষ্ট্ৰপতিৰ আমন্ত্ৰণ ক্ৰমে ৫ ৰ পৰা ৭ অক্তোবৰ ২০১৩ লৈ টুৰ্কীৰ ৰাজকীয় ভ্ৰমণৰ বাবে যাব । টুৰ্কীলৈ এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ এইয়া হব তৃতীয়টো ভ্ৰমণ কাৰ্য্যসুচী। ইয়াৰ পূৰ্বে ১৯৯৩ আৰু ১৯৯৮ চনত ভাৰতীয় ৰাষ্ট্ৰপতিয়ে টুৰ্কী ভ্ৰমণ কৰিছিল ।

এই দুয়োটা ভ্ৰমণ কালত ৰাষ্ট্ৰপতি গৰাকীক এক উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে সহযোগ কৰিব ।এই উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলটোত মন্ত্ৰীসকল,জেষ্ঠ্যো বিষয়া সকল আৰু আমাৰ শিক্ষা ক্ষেত্ৰৰ আৰু শিক্ষানুষ্ঠান বোৰৰ জেষ্ঠ্যো প্ৰতিনিধি সকলে অংশ গ্ৰহন কৰিব ।

নতুন দিল্লী

অক্তোৱৰ ০১,২০১৩